**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-03-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***

## HEADLINES

১। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ আজি গুৱাহাটীত মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ নিৰ্বাচিত উদ্যোগীক আনুষ্ঠানিকভাৱে বিত্তীয় অনুদান প্ৰদান।

২। ৰাজ্যত চলি থকা বিকাশ যাত্ৰাৰ অংশ হিচাপে আজি হোজাই আৰু ধুবুৰী জিলাত কেইবাটাও প্ৰকল্পৰ উদ্বোধন, শিলান্যাস আৰু ভূমি পূজন।

৩। আসন্ন লোকসভা নিৰ্বাচনত অসমৰ ৪ খন আসনৰ বাবে তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থীৰ নাম ঘোষণা।

৪। ধুবুৰীৰ গৌৰীপুৰত চাৰিলেনযুক্ত পথৰ নিৰ্মাণৰ বাবে কেন্দ্ৰীয় চৰকাৰে ৪২১ কোটি ১৫ লাখ টকা অনুমোদন জনোৱা বুলি কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰীৰ প্ৰকাশ।

৫। সমগ্ৰ দেশত পেট্ৰ'ল আৰু ডিজেলৰ মূল্য প্ৰতি লিটাৰত দুটকাকৈ হ্ৰাস।

*আৰু*

৬। ২০২৩ বৰ্ষৰ সাহিত্য অকাডেমী অনুবাদ বঁটা ঘোষণা।

0000000

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ নিৰ্বাচিত উদ্যোগীসকলক আনুষ্ঠানিকভাৱে বিত্তীয় অনুদান প্ৰদান কৰিব। অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশ লৈ ড° শৰ্মাই ষ্টাৰ্টআপ উদ্যোগীসকলক ১১ কোটি টকাৰ বিত্তীয় অনুদান প্ৰদান কৰিব। আনহাতে, একেটা অনুষ্ঠানতে ৭টা বৃহৎ সংস্থাৰ সৈতে মুঠ ২০৫০ কোটি টকাৰ বিনিয়োগৰ বাবে বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰিব। ৰাজ্য চৰকাৰৰ উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ দ্বাৰা আয়োজিত হ'বলগীয়া এই অনুষ্ঠানত ছহেজাৰ ৫০০ গৰাকী উদ্যমী যুৱক-যুৱতীক নিযুক্তি দিয়া হ'ব।

00000000

ৰাজ্যত চলি থকা বিকাশ যাত্ৰাৰ অংশ হিচাপে আজি হোজাই আৰু ধুবুৰী জিলাত কেইবাটাও প্ৰকল্পৰ উদ্বোধন, শিলান্যাস আৰু ভূমি পূজন কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই হোজাই জিলাৰ শংকৰদেৱ নগৰ খেলপথাৰত আজি দুপৰীয়া ১২৭ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া কঠিয়াতলী-কামপুৰ-যমুনামুখৰ পৰা ডবকালৈ যোৱা পথৰ উন্নয়ন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। জিলাখনৰ ২৬৮ কোটি টকা ব্যয় সাপেক্ষে অন্যান্য ৬টা প্ৰকল্প উদ্বোধন কৰা হ'ব। ইপিনে ধুবুৰী জিলাত বিলাসীপাৰা পানী যোগান আঁচনিৰ আধাৰশিলা স্থাপন অনুষ্ঠানত মুখ্য অতিথি হিচাপে মন্ত্ৰী জয়ন্ত মল্লবৰুৱা উপস্থিত থাকিব। এই প্ৰকল্পৰ বাবে ৩৩ কোটি টকা ব্যয় ধায্য কৰা হৈছে। ইপিনে ২৭৫ কোটি টকা ব্যয় সাপেক্ষ আন আন ৮৮ টা প্ৰকল্পৰ উদ্বোধন তথা নিৰ্মাণ কাৰ্য আব্যাহত আছে। জিলাখনৰ উন্নয়নৰ বাবে মুঠ ৩০৮ কোটি টকা ব্যয় কৰা হ'ব।

00000000

আসন্ন লোকসভা নিৰ্বাচনত অসমৰ ৪ খন আসনৰ বাবে তৃণমূল কংগ্ৰেছে প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। সেই অনুসৰি কোকৰাঝাৰ সমষ্টিৰ বাবে গৌৰী শংকৰ শৰনীয়া, বৰপেটা সমষ্টিৰ বাবে আব্দুল কালাম আজাদ, লখিমপুৰত ঘনকান্ত চুতীয়া আৰু শিলচৰত ৰাধাশ্যাম বিশ্বাসক প্ৰাৰ্থিত্ব প্ৰদান কৰা হৈছে।

oooooooo

কামৰূপ (মহানগৰ) জিলা আয়ুক্তৰ কাৰ্যালয়ত হোৱা ভিৰৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰে আজিৰেপৰা কামৰূপ (মহানগৰ) জিলাৰ অধীনত চাৰিটাকৈ উপ-জিলা কাৰ্যালয় মুকলি কৰিব। ইয়াৰ অধীনতে চাৰিখন উপ-জিলাও গঠন কৰা হ'ব। এই চাৰিখন উপ-জিলা দিছপুৰ চেণ্ট্ৰেলৰ অন্তৰ্গত জালুকবাৰী, নিউ-গুৱাহাটী, মধ্য গুৱাহাটী আৰু ডিমৰীয়াত গঠন কৰা হ'ব। কালি দিছপুৰৰ লোকসেৱা ভৱনত আয়োজিত এখন সংবাদমেলত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই তথ্য প্ৰদান কৰি কয় যে এই উপ-জিলাসমূহৰ অতিৰিক্ত জিলা আয়ুক্তসকলে বিভিন্নধৰণৰ দৈনন্দিন কাম-কাজ সম্পাদন কৰিব। উপ-জিলাসমূহত, লগতে ৰেচন কাৰ্ড, ভূমি সম্পৰ্কীয় কামকে ধৰি সকলোধৰণৰ কাম নিষ্পত্তি কৰা হ'ব।

oooooooo

গ্ৰামাঞ্চলত লুকাই থকা বিভিন্ন ক্ৰীড়া প্ৰতিভাসমূহক উলিয়াই অনাৰ লক্ষ্যৰে ডিব্ৰুগড়ৰ প্ৰতিটো বিধানসভা সমষ্টিতে একোখনকৈ গ্ৰাম্য ষ্টেডিয়াম স্থাপনৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পেট্ৰ'লিয়া মন্ত্ৰালয়ে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। এই পদক্ষেপৰ অংশ হিচাপে মন্ত্ৰালয়ৰ অধীনস্থ ইণ্ডিয়ান অইল কৰ্প'ৰেচন লিমিটেডে ইয়াৰ সামাজিক দায়বদ্ধতা পুঁজিৰ পৰা এই সমষ্টিসমূহত এক কোটিকৈ টকা ব্যয়েৰে একোখনকৈ গ্ৰাম্য ক্ৰীড়া ষ্টেডিয়াম নিৰ্মাণৰ কাম আৰম্ভ কৰিছে। কালি পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ, শ্ৰম আৰু নিয়োগ দপ্তৰৰ কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলীয়ে জিলাখনৰ কেইবাটাও সমষ্টিত এনে গ্ৰাম্য ক্ৰীড়া ষ্টেডিয়ামৰ নিৰ্মাণকাৰ্যৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভনি কৰে। এই কাৰ্যসূচীৰ অধীনত মন্ত্ৰীগৰাকীয়ে লাহোৱাল সমষ্টিৰ লাহোৱাল উচ্চ ইংৰাজী বিদ্যালয়ৰ খেলপথাৰ, নাহৰকটীয়া সমষ্টিৰ চাঁচনি বাঁহধাৰী খেলপথাৰ, দুলীয়াজান সমষ্টিৰ ভাদৈ পাঁচআলিৰ চি-চিয়া বকুলনি আঞ্চলিক ক্ৰীড়া সন্থাৰ খেলপথাৰ, তিনিচুকীয়া সমষ্টিৰ হুগ্ৰীজান খেলপথাৰ, টিংখাং সমষ্টিৰ টিপমীয়া এল পি স্কুল খেলপথাৰ আৰু খোৱাং সমষ্টিৰ নতুন বলাই জনজাতি স্কুলৰ খেলপথাৰত একোখনকৈ গ্ৰাম্য ক্ৰীড়া ষ্টেডিয়াম প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। অনুষ্ঠানত স্থানীয় বিধায়ক, বহু কেইগৰাকী বিশিষ্ট ব্যক্তিৰ লগতে ইণ্ডিয়ান অইল কৰ্প'ৰেচন লিমিটেডৰ উচ্চস্তৰৰ বিষয়াসকল উপস্থিত থাকে।

oooooooo

ৰাজ্য চৰকাৰে প্ৰধানমন্ত্ৰী সৌৰঘৰ বিনামূলীয়া বিদ্যুৎ আঁচনিৰ অধীনত ৰাজসাহায্য প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। কালি দিছপুৰৰ লোকসেৱা ভৱনত এখন সংবাদমেল সম্বোধন কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই কথা ঘোষণা কৰে। তেওঁ কয় যে ঘৰত সৌৰশক্তিৰ জৰিয়তে ১ কিলোৱাট বিদ্যুৎ উৎপাদন কৰিবলৈ সৌৰ প্লেট স্থাপনৰ বাবে গ্ৰাহকে মাত্ৰ ৫ হাজাৰ টকাৰ এককালীন খৰচ কৰিব লাগিব। বাকী খৰচৰ ৩০ হাজাৰ টকা কেন্দ্ৰীয় চৰকাৰে আৰু ১৫ হাজাৰ টকা ৰাজ্য চৰকাৰে ৰাজ সাহায্য হিচাপে প্ৰদান কৰিব। একেদৰে ২ কিলোৱাট বিদ্যুৎ উৎপাদনৰ বাবে গ্ৰাহকে মাত্ৰ ১০ হাজাৰ টকা আৰু তিনি কিলোৱাট বা ততোধিক বিদ্যুৎ উৎপাদনৰ বাবে ২৭ হাজাৰ টকা খৰচ কৰিলেই হ'ব। আনহাতে ৰাজ্যিক চৰকাৰৰ কৰ্মচাৰীসকলে ভাৰতীয় ষ্টেট বেংকৰ পৰা ৩ কিলোৱাট পৰ্যন্ত ঋণত ১ শতাংশ সূতত চৰকাৰী সাহায্য লাভ কৰিব পাৰিব। ইচ্ছুক গ্ৰাহকসকলে pmsuryaghar.gov.inত পঞ্জীয়ন আৰু ৰাজ সাহায্য লাভৰ বাবে আবেদন কৰিব পাৰিব।

oooooooo

নিৰ্বাচন আয়োগে ভাৰতীয় ষ্টেট বেংকৰ পৰা লাভ কৰা নিৰ্বাচনী বণ্ডৰ তথ্য আয়োগৰ ৱেব চাইটত আপলোড কৰিছে। ভাৰতীয় ষ্টেট বেংকে উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ অনুসৰি যোৱা ১২ ফেব্ৰুৱাৰীত নিৰ্বাচন আয়োগক নিৰ্বাচনী বণ্ডৰ তথ্য যোগান ধৰিছিল। www.eci.gov.in/candidate ৱেবচাইট যোগে এই তথ্যসমূহ চাব পৰা যাব।

oooooooo

ৰাজ্যৰ শিক্ষানুষ্ঠানসমূহৰ নিৰন্তৰ বিকাশৰ বাবে চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ অংশ হিচাপে নগাঁও জিলাৰ চাৰিখনকৈ শিক্ষানুষ্ঠানে আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত বিশেষ পুঁজিৰ অনুমোদন লাভ কৰিছে। সেই অনুসৰি বিদ্যালয়সমূহৰ আন্তঃগাঁথনি উন্নীতকৰণৰ অভিলাসী আঁচনিৰ অধীনত নগাঁও-বটদ্ৰৱা সমষ্টিত প্ৰায় ২৯ কোটি টকা ব্যয়সাপেক্ষে চাৰিখনকৈ বিদ্যালয়ক আদৰ্শ বিদ্যালয় হিচাপে গঢ়ি তোলা হ'ব। সমষ্টিটোত এই আঁচনিৰ অধীনত অন্তৰ্ভুক্ত হোৱা বিদ্যালয়সমূহ হৈছে হয়বৰগাঁও উচ্চ মাধ্যমিক বিদ্যালয়, শেনচোৱা অমৰ বৰকাকতি হাইস্কুল, বটদ্ৰৱা শ্ৰীশ্ৰী শংকৰদেৱ হাইস্কুল আৰু তেলীয়াপট্টিস্থিত হয়বৰগাঁও আদৰ্শ উচ্চ বিদ্যালয়। ইয়াৰে হয়বৰগাঁও আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়ন প্ৰকল্পৰ আধাৰশিলা স্থাপনৰ কাম ইতিপূৰ্বেই সম্পন্ন হোৱাৰ বিপৰীতে কালি আন তিনিখন শিক্ষানুষ্ঠানৰ আন্তঃগাঁথনি উন্নয়ন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰা হয়।

oooooooo

ৰাজ্য চৰকাৰে দেশৰ ভিতৰতে পোন প্ৰথমবাৰৰ বাবে ৰাজ্যৰ যানবাহনৰ গৰাকীসকলক ঘৰতে বহি ৫০ টাৰো অধিক সেৱা অনলাইন যোগে উপলভ্য কৰোৱাৰ বাবে আজিৰে পৰা পৰিবহণৰ বিশেষ জনসেৱা পযেক পালন কৰিছে। এই বিশেষ জনসোৱা পযেকত বাহনৰ বীমা, ফিটনেছ, পাৰমিট, প্ৰদূষণ আৰু বকেয়াসহ যাৱতীয় সকলো কৰ পৰিশোধৰ প্ৰমাণপত্ৰৰ ব্যৱস্থা কৰা হ'ব। এনে সেৱাসমূহ সঠিকভাৱে গ্ৰহণ কৰিব নোৱাৰাসকলক বিশেষভাৱে সহায়-সহযোগিতা আগবঢ়োৱাৰ উদ্দেশ্যে পৰিবহণ বিভাগৰ উদ্যোগত এনে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। যোৱা দুটা সপ্তাহত বিভিন্ন ধৰণৰ বাহনৰ সহস্ৰাধিক ওজৰ-আপত্তি নিস্পত্তি কৰাৰ অন্তত আজিৰে পৰা গুৱাহাটীত ঘৰে ঘৰে গৈ যানবাহন বিষয়ক সমস্যা থিতাতে সমাধান কৰিব। এনে ধৰণৰ সুবিধা আগবঢ়োৱাৰ ফলত জণসাধাৰণৰ সময় ৰাহি হোৱাৰ উপৰি আৰ্থিকভাৱে সকাহ লাভ কৰিব।

oooooooo

কেন্দ্ৰীয় চৰকাৰে ধুবুৰী জিলাৰ গৌৰীপুৰত চাৰিলেনযুক্ত পথৰ  নিৰ্মাণৰ বাবে ৪২১ কোটি ১৫ লাখ টকাৰ অনুমোদন জনাইছে। ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত ৯ কিলোমিটাৰত কৈও অধিক দৈৰ্ঘ্যৰ বাইপাছ নিৰ্মাণৰ বাবে এই ধনৰ অনুমোদন দিয়া হৈছে। দুমৰ দহৰ পৰা বলদমাৰালৈ এই চাৰিলেনযুক্ত ঘাই পথটো নিৰ্মাণ কৰা হ'ব। কেন্দ্ৰীয় পথ পৰিবহন মন্ত্ৰী নীতিন গাডকাৰীয়ে এই বিষয়ে ঘোষণা কৰিছে।

oooooooo

সমগ্ৰ দেশত পেট্ৰ'ল আৰু ডিজেলৰ মূল্য প্ৰতি লিটাৰত দুটকা হ্ৰাস কৰা হৈছে। এই নতুন হাৰ আজি পুৱা ৬ বজাৰ পৰা প্ৰযোজ্য হৈছে। পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে সামজিক মাধ্যমযোগে কৈছে যে, ইয়াৰ ফলত উপভোক্তাসকল অধিক ব্যয় কৰিবলৈ সমৰ্থ হ'ব আৰু ডিজেলচালিত সামগ্ৰী কঢ়িওৱা ৫৮ লাখ গধুৰ যান-বাহন, ৬ কোটি চাৰিচকীয়া আৰু ২৭ কোটি দুচকীয়া বাহনৰ পৰিচালন ব্যয় হ্ৰাস পাব।

oooooooo

অনুবাদৰ ক্ষেত্ৰত অসাধাৰণ অৱদানৰ স্বীকৃতি স্বৰূপে ২০২৩ বৰ্ষৰ সাহিত্য অকাডেমী অনুবাদ বঁটা ঘোষণা কৰা হৈছে। নতুন দিল্লীত অনুষ্ঠিত অকাডেমীৰ কাৰ্যনিৰ্বাহক পৰিষদৰ বৈঠকত এইবাৰৰ সাহিত্য অকাডেমী অনুবাদ বঁটাৰ বাবে ২৪ খন গ্ৰন্থ বাছনি কৰা হয়। ২০১৭ চনৰ ১ জানুৱাৰীৰ পৰা ২০২১ৰ ৩১ ডিচেম্বৰলৈকে অনুবাদ কৰা গ্ৰন্থৰ মাজৰ

পৰা এই ২৪ খন গ্ৰন্থ বাছনি কৰা হয়। ভাষাভিত্তিক তিনিজনীয়া বাছনি সমিতিৰ পৰামৰ্শৰ ভিত্তিত এই গ্ৰন্থসমূহ মনোনীত কৰা হয়। উল্লেখযোগ্য যে এইবেলি এই বঁটাৰ বাবে অসমৰ লক্ষ্যজ্যোতি গগৈ সন্দিকৈয়ে অনুবাদ কৰা 'মোৰ জীৱনটো' শীৰ্ষক গ্ৰন্থখন মনোনীত হৈছে। এই গ্ৰন্থখন ইংৰাজী ভাষাৰ 'Once upon A Life: Burnt Curry and Bloody Rags: A Memoir' শীৰ্ষক গ্ৰন্থখনৰ অসমীয়া ভাষান্তৰ। আনহাতে, অম্বিকাগিৰি হাজোৱাৰীৰ দ্বাৰা পূৰৱী বৰমূদৈৰ ৰচিত 'শান্তনুকুলনন্দন' নামৰ উপন্যাসখনৰ বড়ো ভাষালৈ অনুদিত গ্ৰন্থখনো এই বঁটাৰ বাবে নিৰ্বাচিত হৈছে। চলিত বৰ্ষৰ শেষৰফালে এটা বিশেষ অনুষ্ঠানত গ্ৰন্থসমূহৰ অনুবাদকসকলক এই বঁটা প্ৰদান কৰা হ'ব। এই বঁটাত আছে - ৫০ হাজাৰ টকাৰ নগদ ধন আৰু তাম্ৰপত্ৰ।

oooooooo

বি টি আৰ প্ৰশাসনে কালি নৱনিৰ্বাচিত ৩২ গৰাকী লোকৰ মাজত নিযুক্তিপত্ৰ বিতৰণ কৰে। ইয়াৰে ভিতৰত বড়োলেণ্ড স্বায়ত্বশাসিত পৰিষদৰ সচিবালয়ত নিযুক্তি লাভ কৰা ১২ গৰাকী ষ্টেন' গ্ৰাফাৰৰ লগতে ২০ গৰাকী কনিষ্ঠ প্ৰশাসনিক সহকাৰীও আছে। কোকৰাঝাৰৰ বি টি চি এল এ সভাগৃহত অনুষ্ঠিত এটি বিশেষ অনুষ্ঠানত বি টি আৰ প্ৰশাসনে লগতে ১৬৬ গৰাকী শিক্ষক আৰু বি টি আৰৰ অধীনৰ প্ৰাদেশীকৃত উচ্চ মাধ্যমিক বিদ্যালয়ৰ কাউন্সিলৰৰ পদোন্নতিৰ নিৰ্দেশাৱলীও বিতৰণ কৰে। বি টি আৰৰ মুৰব্বী প্ৰমোদ বড়ো, ৰাজ্যসভাৰ সাংসদ ৰাংৱাৰা নাৰ্জাৰী, চিদলিৰ বিধায়ক জয়ন্ত বসুমতাৰীৰ লগতে অন্যান্য গণ্য-মান্য ব্যক্তি এই অনুষ্ঠানত উপস্থিত থাকে।

ooooooo

গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৩১ সংখ্যক দীক্ষান্ত সমাৰোহ আজি বিশ্ববিদ্যালয় অভিৰৰ্তন কেন্দ্ৰত অনুষ্ঠিত হ'ব। ৰাজ্যপাল তথা বিশ্ববিদ্যালয়ৰ আচাৰ্য গুলাব চান্দ কাটাৰিয়াই অংশগ্ৰহণ কৰিবলগীয়া দীক্ষান্ত সমাৰোহত ভাৰতীয় প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠান, ৰোপাৰ সঞ্চালক তথা ভাৰতীয় প্ৰযুক্তি বিজ্ঞান প্ৰতিষ্ঠান, গুৱাহাটীৰ কাৰ্যবাহী সঞ্চালক ৰাজীৱ আহুজাই দীক্ষান্ত ভাষণ দিব।

oooooooo

ৰাজ্য চৰকাৰৰ ড্ৰাগছ বিৰোধী অভিযানত কাছাৰ আৰক্ষীয়ে প্ৰথমবাৰৰ বাবে সৰ্ববৃহৎ সাফল্য লাভ কৰিছে। কাছাৰ জিলাৰ লোকনাথপুৰৰ এটা ঘৰৰ পৰা আৰক্ষীয়ে কালি ১২ কিলোগ্ৰাম হেৰ'ইন জব্দ কৰে। আৰক্ষীৰ এটা সূত্ৰই জানিবলৈ দিয়া মতে কাছাৰ আৰক্ষীয়ে জিলাখনৰ ধলাই থানাৰ অধীনৰ লোকনাথপুৰৰ এটা ঘৰত বুজন পৰিমাণৰ হেৰ'ইন মজুত কৰি ৰখাৰ খবৰ লাভ কৰিছিল। গোপন তথ্যৰ ভিত্তিত এই খবৰ পোৱাৰ পাছতে আৰক্ষী অধীক্ষক নোমল মাহাত্তাৰ নেতৃত্বত আৰক্ষীৰ দল এটাই হেৰ'ইন মজুত কৰি ৰখা ঘৰটোত অতৰ্কিতে অভিযান চলায়। অভিযানকালত আৰক্ষীয়ে প্ৰায় ১১০ কোটি টকা মূল্যৰ ১২ কিলোগ্ৰাম হেৰ'ইন জব্দ কৰিবলৈ সমৰ্থ হয়। আনহাতে, হেৰ'ইনখিনি মজুত কৰি ৰখাৰ অভিযোগত আৰক্ষীয়ে দুগৰাকী মহিলাক গ্ৰেপ্তাৰ কৰে। এই সফলতাৰ বাবে মুখ্যমন্ত্ৰী ড$^{o}$ হিমন্ত বিশ্ব শৰ্মাই কাছাৰ আৰক্ষীক সামাজিক মাধ্যমযোগে উচ্চ প্ৰশংসা কৰে। ইপিনে, কৰিমগঞ্জ জিলাৰ আৰক্ষী বিভাগৰ পৰিচালনাত আজি পুৱা ১১ বজাত জিলাখনৰ জুনিটিলাস্থিত আৰক্ষী সংৰক্ষিত চৌহদত আনুষ্ঠানিকভাৱে ড্ৰাগছ ধ্বংস কৰা হ'ব।

oooooooo

গুৱাহাটীৰ ৰাধা গোবিন্দ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ দেশভক্ত তৰুণৰাম ফুকন ইন্ড'ৰ ষ্টেডিয়ামত চলি থকা আৰ ই চি পূব মণ্ডল ৰাষ্ট্ৰীয় মুকলি প্ৰতিভাসন্ধানী বক্সিং প্ৰতিযোগিতাৰ যুৱ আৰু এলিট শাখাত অসমৰ খেলুৱৈসকলে প্ৰত্যাশিতভাৱে অগ্ৰগতি লাভ কৰিছে। ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ লগতে ভাৰতীয় বক্সিং ফেডাৰেচনৰ সহযোগত অসম বক্সিং সংস্থাই আয়োজন কৰা প্ৰতিযোগিতাখনত পুৰুষ আৰু মহিলাৰ এলিটৰ লগতে ল'ৰা তথা ছোৱালীৰ যুৱ শাখাত

এতিয়ালৈকে অসমৰ ২২ গৰাকী খেলুৱৈয়ে দ্বিতীয় ৰাউণ্ডলৈ অগ্ৰগতি লাভ কৰিছে। যোৱানিশা এলিট শাখাত অসমৰ অভিনৱ শইকীয়া, হীৰকজ্যোতি বৰা, স্বদেশ ৰঞ্জন, সুজুমা বড়ো, দীপাঞ্জলি দৈমাৰী, ভূপালি, হৰ্ষিতা আৰু মাইনাও বড়ো দ্বিতীয় ৰাউণ্ডলৈ অগ্ৰসৰ হয়। ইফালে, যুৱ শাখাত প্ৰাঞ্জল গগৈ, জ্ঞানম চৌধুৰী, জিণ্টু বসুমতাৰী আৰু আকাশ বসুমতাৰীয়ে দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰে।

oooooooo

নাগৰিকত্ব সংশোধনী আইন কা কেতিয়াও প্ৰত্যাহাৰ কৰা নহয় বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি এক সাক্ষাৎকাৰত মত প্ৰকাশ কৰিছে। এই বাতৰিটো গুৱাহাটীৰ পৰা আজি প্ৰকাশিত প্ৰায় আটাইকেইখন আগশাৰীৰ বাতৰি কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। অসমত এতিয়ালৈকে প্ৰায় চাৰি হাজাৰ ভুৱা ফাৰ্মাচিষ্টৰ পঞ্জীয়ন বাতিল হৈছে আৰু বিভিন্ন ঠাইত এতিয়াও পাইকাৰী অনুজ্ঞাপত্ৰ লৈ খুচুৰা ফাৰ্মাচীৰ ব্যৱসায় চলাই থকা হৈছে। এই সন্দৰ্ভত দৈনিক অসম কাকতে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। অসম চৰকাৰে পবিতৰা বন্যপ্ৰাণী অভয়াৰণ্যৰ পৰিচয় আৰু সংৰক্ষণ প্ৰত্যাহাৰ কৰাৰ ঘোষণাত উচ্চতম ন্যায়ালয়ে স্থগিতাদেশ জাৰি কৰিছে। একেটা বাতৰিক আমাৰ অসম কাকতেও প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। এখন ৰাষ্ট্ৰ এক নিৰ্বাচন সমিতিয়ে কালি ৰাষ্ট্ৰপতি দ্ৰৌপদী মূৰ্মুক প্ৰতিবেদন  দাখিল কৰিছে। এই বাতৰিটো প্ৰায়কেইখন কাকতে আলোকচিত্ৰসহ স্থান দিছে। ৰাজ্যজুৰি কা বিৰোধী আন্দোলন অব্যাহত আছে আৰু আচুসহ ৩০ সংগঠনে কলা পতাকা উৰুৱাই বিক্ষোভ সাব্যস্ত কৰা বাতৰিক আজি প্ৰকাশিত প্ৰায়কেইখন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিয়া পৰিলক্ষিত হৈছে। ভাৰতত কা বলবৎৰ পিছতে বাংলাদেশত হিন্দু নিৰ্যাতন বৃদ্ধি পাইছে পাইছে বুলি বাংলাদেশৰ হিন্দু মহাযোটৰ মহাসচিব গোবিন্দ চন্দ্ৰ প্ৰামানিকৰ উদ্ধৃতি দি অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। নিৰ্বাচন আয়োগে ৰাজহুৱা কৰা নিৰ্বাচনী বণ্ডৰ লেনদেনৰ তথ্যত বণ্ড ৰ জৰিয়তে লাভ কৰা ধনৰ শীৰ্ষত বিজেপি আৰু দ্বিতীয় আৰু তৃতীয় স্থানত ক্ৰম তৃণমূল কংগ্ৰেছ আৰু ভাৰতীয় জাতীয় কংগ্ৰেছ দল আছে। এই বাতৰিটো প্ৰায় আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ২০২৪ ৰ গুণোতসৱৰ ফলাফলত শিৱসাগৰ, ডিব্ৰগড় আৰু যোৰহাট জিলাই ক্ৰমে প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰাৰ বাতৰিটোও প্ৰায় আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। যোৱা দুবছৰত ৰাজ্য চৰকাৰে ৬০,০০০ কোটি টকাৰ বিনিয়োগ প্ৰস্তাৱ লাভ কৰিছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। এই সন্দৰ্ভত The Sentinel কাকতে এটা বাতৰি প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে:

ৰাইজিং ছান অভিযানত গুৱাহাটী বৰপেটা, বিহাৰ উত্তৰ প্ৰদেশত ৪০ কোটি টকাৰ বিদেশী সোণ জব্দ, ৰাজ্য চৰকাৰৰ মৰগীয়া বানচ ৫০%লৈ বৃদ্ধি, দুজন নিৰ্বাচন আয়ুক্ত নিযুক্ত, পথ নিৰ্মাণৰ বাবে পৰ্টেলযোগে জনসাধাৰনে জনাব পাৰিব আবেদন , বাসগৃহত পৰি আঘাতপ্ৰাপ্ত পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জী, বৰপেটাত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিংৰ সভাৰে এনডিএৰ প্ৰচাৰ আৰম্ভ , দুটকাকৈ কমিল পেট্ৰল ডিজেলৰ দাম ,ৰাজ্যৰ ৪ সমষ্টিত তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থী তালিকা ঘোষণা ইত্যাদি ।

এয়াই আছিল গুৱাহাটীৰপৰা আজি প্ৰকাশিত বাতৰিকাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

oooooooo

**সমাপ্ত**